# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৯৪/২০২০

**ইণ্ডিয়া ফাউণ্ডেশ্বনে আগবঢ়োৱা ২০২০ বৰ্ষৰ ড° শ্যামা প্ৰসাদ মুখাৰ্জী বঁটা গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

## এই বঁটা প্ৰাপ্তিয়ে দেশৰ অখণ্ডতাৰ দিশত অধিক দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে উদ্বুদ্ধ কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৮ ফেব্ৰুৱাৰী ঃ** আজি গুজৰাটৰ টেণ্ট চিটী নৰ্মদাত ইণ্ডিয়া ফাউণ্ডেশ্বনৰ দ্বাৰা আয়োজিত আইডিয়াছ্ কনক্লেভ-২০২০ অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ২০২০ বৰ্ষৰ সন্মানীয় ড° শ্যামা প্ৰসাদ মুখাৰ্জী বঁটা প্ৰদান কৰা হয়। ভাৰতবৰ্ষৰ বৈদেশিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী এছ জয়শংকৰ আৰু মালদ্বীপৰ পিপলছ্ মজলিছৰ অধ্যক্ষ মহম্মদ নাছিদে মুখ্যমন্ত্ৰী সোণোৱালক এই বঁটা প্ৰদান কৰে। এই বঁটাত আছে এটা স্মাৰক, প্ৰশস্তি পত্ৰ আৰু ১ লাখ টকাৰ চেক। এই বৰ্ষত ৰাজনীতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা বিশিষ্ট বৰঙণিৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক এই বঁটা প্ৰদান কৰা হয়।

এই বঁটা গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই বঁটা প্ৰাপ্তিয়ে তেখেতৰ দায়িত্ব আৰু কৰ্তব্য অধিক বৃদ্ধি কৰিলে বুলি কয়। এই বঁটাই আগন্তুক সময়ত তেখেতক দেশৰ অখণ্ডতাৰ দিশত অধিক দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে উদ্বুদ্ধ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে গুজৰাটৰ নৰ্মদা নদীৰ পাৰত নিৰ্মিত 'ষ্টেচু অব্ ইউনিটী'য়ে ভাৰতবৰ্ষৰ একতা আৰু অখণ্ডতা প্ৰতিফলিত কৰিছে বুলি কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অসম আৰু গুজৰাটৰ এক ঐতিহাসিক সম্পৰ্ক আছে বুলি উল্লেখ কৰি ভগৱান শ্ৰীকৃষ্ণই ৰুক্মিনীক বিবাহ কৰাৰ উপৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই গুজৰাটৰ জীয়ৰী প্ৰিয়ম্বদা পাটিলক বিবাহ কৰোৱা বিষয়টো উল্লেখ কৰে। দেশৰ প্ৰগতি, ঐক্য আৰু সংহতি বজাই ৰখাৰ দিশত গুজৰাটে বহু সংখ্যক মনীষীৰ জন্ম দিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ভূমিৰ পৰাই জাতিৰ পিতা মহাত্মা গান্ধী, চৰ্দাৰ বল্লৱভাই পেটেলৰ দৰে যুগজয়ী ব্যক্তিৰ জন্ম হৈছিল বুলিও কয়। মুখ্যমন্ত্ৰীয়ে বৰ্তমান সময়তো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে সংবিধানৰ ৩৭০ আৰু ৩৫ (ক) অনুচ্ছেদ বাতিল কৰি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ৰাষ্ট্ৰীয় একতা আৰু অখণ্ডতাৰ স্বপ্ন তথা ড° শ্যামা প্ৰসাদ মুখাৰ্জীৰ 'এক নিচান, এক প্ৰধান আৰু এক সংবিধান'ৰ আদৰ্শক বাস্তৱায়িত কৰাৰ দিশত শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিলে বুলিও কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ক্ষণজন্মা পুৰুষ ড° শ্যামা প্ৰসাদ মুখাৰ্জীয়ে আগবঢ়াই যোৱা বলিষ্ঠ অৱদানৰো আলোকপাত কৰে। ড° শ্যামা প্ৰসাদ মুখাৰ্জীক এগৰাকী প্ৰকৃত দেশপ্ৰেমিক আৰু জাতীয়তাবাদী নেতা বুলি উল্লেখ কৰি এইগৰাকী ব্যক্তিয়ে ১৯৫১ চনত ভাৰতীয় জনসংঘৰ দৰে এক শক্তিশালী মঞ্চৰ জৰিয়তে ভাৰতবৰ্ষক একত্ৰিত কৰাৰ প্ৰয়াস কৰিছিল বুলি উল্লেখ কৰে। বৰ্তমান সময়তো জনসংঘৰ আদৰ্শৰে ভাৰতীয় জনতা পাৰ্টিয়ে ভাৰতবৰ্ষৰ দৰে এখন বিশাল আৰু মহান দেশক এক উপযুক্ত তথা শক্তিশালী ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক মঞ্চ প্ৰদান কৰি দেশৰ সৰ্বাংগীণ বিকাশৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰিছে বুলিও তেওঁ কয়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে উত্তৰ-পূৰ্বাঞ্চলৰ সম্পদ আৰু সম্ভাৱনীয়তা উদ্ভাৱন কৰা দেশৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী হৈছে নৰেন্দ্ৰ মোদী। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী হিচাপে দেশৰ শাসনভাৰ গ্ৰহণ কৰাৰে পৰা উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত অৰ্থনৈতিক বিকাশৰ বাবে তেওঁ পদক্ষেপ গ্ৰহণ কৰিছে। স্বাধীনতাৰ বিগত ৭০ বছৰে কংগ্ৰেছ চৰকাৰ সমূহৰ অৱজ্ঞা আৰু শোষণৰ বলি হৈ অহা উত্তৰ-পূৰ্বাঞ্চলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত সৰ্বাংগীন বিকাশৰ যাত্ৰাত অগ্ৰসৰ হোৱাৰ সুযোগ লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লক্ষ্যই হৈছে দেশৰ সৰ্বাংগীণ বিকাশ আৰু ‘এক ভাৰত শ্ৰেষ্ঠ ভাৰত’ৰ আদৰ্শ বাস্তৱায়িত কৰা। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক নতুন ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন ৰূপে অভিহিত কৰাৰ উপৰি এই অঞ্চলটোক অষ্টলক্ষ্মী অভিহিত কৰি বিকাশৰ নতুন দিগন্তৰ সূচনা কৰিলে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে কেৱল পেট্ৰ’লিয়াম খণ্ডতে ৪৭ হাজাৰ কোটিৰো অধিক পুঁজিৰ আৱন্টন দিছে। তদুপৰি, এক্ট ইষ্ট পলিচীৰ জৰিয়তে আছিয়ান দেশ সমূহৰ সৈতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক আৰু বাণিজ্যিক সম্পৰ্কৰ ক্ষেত্ৰত নতুন সুযোগ আৰু সম্ভাৱনা কঢ়িয়াই আনিছে। মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসমৰ প্ৰতি থকা বিশেষ দায়বদ্ধতাৰ কথা উল্লেখ কৰি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন উপাধি প্ৰদান, আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত গামোচা পৰিধান কৰি অসমৰ স্বাভিমান বিশ্ব দৰবাৰত সজোৰে উপস্থাপন তথা অলপতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পে গুজৰাট ভ্ৰমণ কৰাৰ সময়ত অসমৰ বিহু দলক আগস্থান দি অসমৰ স্বাভিমান বৃদ্ধি কৰাৰ বিষয়েও উল্লেখ কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰ আৰু মালদ্বীপৰ পিপলছ্ মজলিছৰ অধ্যক্ষ মহম্মদ নাছিদ আৰু ৰাজ্যসভাৰ সাংসদ সুৰেশ প্ৰভূয়েও ভাষণ প্ৰদান কৰে। ইণ্ডিয়া ফাউণ্ডেশ্বনৰ ব’ৰ্ড অব্ গভৰ্ণচৰ সদস্য ৰাম মাধৱ আৰু শৌৰ্য দোভালকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি এই অনুষ্ঠানত উপস্থিত থাকে।

উল্লেখ্য যে ইণ্ডিয়া ফাউণ্ডেশ্বনে প্ৰতিবছৰে ভাৰতবৰ্ষৰ অৰ্থনৈতিক দিশলৈ বিশেষ অৱদান আগবঢ়োৱা এগৰাকী বিশিষ্ট ব্যক্তিক ড° বি আৰ শ্বেনয় বঁটা, ৰাজনীতিলৈ বিশেষ অৱদান আগবঢ়োৱা এগৰাকী বিশিষ্ট ৰাজনীতিকক ড° শ্যামা প্ৰসাদ মুখাৰ্জী বঁটা, সামাজিক কাম-কাজৰ দিশত বিশিষ্ট বৰঙণি আগবঢ়োৱা এগৰাকী বিশিষ্ট ব্যক্তিলৈ শ্ৰীনাৰায়ণ গুৰু বঁটা আৰু সাংস্কৃতিক দিশলৈ বিশেষ অৱদান আগবঢ়োৱা এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মীক ওস্তাদ বিছমিল্লাহ খান বঁটা প্ৰদান কৰি আহিছে। বিশিষ্ট অৰ্থনীতিবিদ এন কে সিঙক এই বৰ্ষৰ ড° বি আৰ শ্বেনয় বঁটা প্ৰদান কৰাৰ লগতে চলচ্চিত্ৰ নিৰ্মাতা ভাৰতবালাক ওস্তাদ বিছমিল্লাহ খান বঁটা আৰু বিশিষ্ট সমাজকৰ্মী কে পাৰাচৰণক শ্ৰীনাৰায়ণ গুৰু বঁটা প্ৰদান কৰা হয়।

**বঃভাঃ / বীঃগঃ / পুঃডেঃ**
**২৮/০২/২০২০**